# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-05-2024
**Time :** 17-15 Hrs

***Assamese Evening Bulletin***

::::::::::::::::::::::::::::::::::::::::

দেশত লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ পূৰ্বে বিভিন্ন দলৰ নেতাসকলে ভোটদাতাৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। এই পৰ্যায়ত পহিলা জুনত ৭ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

সপ্তম পৰ্যায়ত মুঠ ৯০৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ মিৰ্জাপুৰত এখন নিৰ্বাচনী সভাত ভাগ লয়। শ্ৰীমোদীয়ে দাবী কৰে যে, সমাজবাদী পাৰ্টী আৰু কংগ্ৰেছে ভোটবেংকৰ কাৰণেহে কাম কৰাৰ বিপৰীতে এন ডি এয়ে দুখীয়া, দলিত আৰু অনগ্ৰসৰ জনসাধাৰণৰ প্ৰতি সমৰ্পিত হৈ কাম কৰিছে। সমাজবাদী পাৰ্টীক তীব্ৰ সমালোচনা কৰি শ্ৰীমোদীয়ে আইন শৃংখলা আৰু সমাজবাদী পাৰ্টী পৰস্পৰৰ পৰিপন্থী বুলি দাবী কৰে।

বৈঠকত অংশগ্ৰহণ কৰি উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা যোগী আদিত্য নাথে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ জনসাধাৰণে এখন নতুন ভাৰত প্ৰত্যক্ষ কৰাৰ সুযোগ লাভ কৰিছে বুলি মন্তব্য কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে আজি ৰাজ্যখনৰ ঘোছি আৰু বান্সগাঁৱতো নিৰ্বাচনী সভাক সম্বোধন কৰে।

আনহাতে, সমাজবাদী সপ্তম পৰ্যায়ৰ ভোটগ্ৰহণৰ পূৰ্বে সমাজবাদী পাৰ্টীৰ জ্যেষ্ঠ নেতা অখিলেশ যাদৱে আজি চালেমপুৰ আৰু বলিয়াত প্ৰচাৰ চলায়। জনসাধাৰণক নিৰন্তৰ মিথ্যাচাৰেৰে পৰিচালিত কৰা বুলি দাবী কৰি শ্ৰীযাদৱে শাসক পক্ষক তীব্ৰ সমালোচনা কৰে।

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়েও আজি হিমাচল প্ৰদেশত চিমলা সংসদীয় সমষ্টিৰ অধীনত নাহান আৰু চিৰমৌৰ জিলাত প্ৰচাৰত ভাগ লয়। কংগ্ৰেছ প্ৰাৰ্থী বিনোদ চুলতানপুৰীৰ হকে প্ৰচাৰ চলাই কংগ্ৰেছ নেতাগৰাকীয়ে কয় যে, এইবাৰৰ নিৰ্বাচনত কংগ্ৰেছে সংবিধান ৰক্ষাৰ হকে যুঁজত অৱতীৰ্ণ হৈছে। তেওঁ লগতে যোৱা বছৰ ৰাজ্যখন ভালেমান প্ৰাকৃতিক বিপৰ্যয়ৰ সন্মুখীন হোৱা স্বত্তেও কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো ধৰণৰ সাহায্য লাভ কৰা নাই বুলি সমালোচনা কৰে। ৰাহুল গান্ধীয়ে আজি হামিৰপুৰ সংসদীয় সমষ্টিতো আন এখন নিৰ্বাচনী সভাত ভাগ লয়।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ বঙ্গোপসাগৰত সৃষ্টি হোৱা ৰেমল নামৰ ঘূৰ্ণিবতাহজাক পশ্চিমবংগৰ সাগৰ দ্বীপপুঞ্জৰ পৰা প্ৰায় ২৭০ কিলোমিটাৰ দক্ষিণ - দক্ষিণ পূৰত প্ৰচণ্ড ঘূৰ্ণিবতাহলৈ ৰূপান্তৰিত হৈছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা মতে বতাহজাক উত্তৰ দিশলৈ গতি কৰিব আৰু প্ৰতিঘণ্টাত ১১০ ৰ পৰা ১৩৫ কিলোমিটাৰ বেগেৰে আজি মাজনিশালৈ বাংলাদেশ আৰু কাষৰীয়া পশ্চিমবংগৰ উপকূলভাগ পাৰ হৈ যোৱাৰ সম্ভাৱনা আছে।

ইপিনে, কোলকাতা বিমান বন্দৰ কৰ্তৃপক্ষই ঘূৰ্ণি বতাহজাকৰ সম্ভাব্য প্ৰভাৱলৈ চাই আজি দুপৰীয়াৰ পৰা ২১ ঘণ্টাৰ বাবে বিমানৰ চলাচল বন্ধ ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ভাৰতীয় বিমান বন্দৰ প্ৰাধিকৰণৰ

মুখপাত্রই প্রকাশ কৰা মতে, এই সময়ছোৱাত বন্দৰটোৰ পৰা অহা যোৱা কৰা ৩৯৪ খন ঘৰুৱা আৰু আন্তৰাষ্ট্ৰীয় বিমানৰ সেৱা বন্ধ থাকিব।

০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি ৰাজ্যত বিশেষকৈ উজনি অসমত প্ৰাদূৰ্ভাৱ ঘটা এনকেফেলাইটিছ ৰোগৰ বিষয়ে স্বাস্থ্য বিভাগে গ্ৰহণ কৰা প্ৰতিৰোধমূলক ব্যৱস্থা সম্পৰ্কে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। উজনি অসমৰ যোৰহাট, শিৱসাগৰ, মাজুলি আৰু গোলাঘাট জিলালৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পৰা এটা বিশেষজ্ঞৰ দল প্ৰেৰণ কৰা হৈছে বুলি স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। জিলাসমূহত ভিতৰুৱা অঞ্চলসমূহতো মহৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ ধোঁৱা দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলি শ্ৰীমহন্তই জানিবলৈ দিয়ে। ইয়াৰ লগতে বিশেষজ্ঞৰ দলটোৱে ৰোগৰ উৎস আৰু প্ৰসাাৰৰ কাৰণ বিশ্লেষণ কৰিব বুলি তেওঁ সংবাদমাধ্যমৰ আগত প্ৰকাশ কৰে। ইতিমধ্যে ৪ খন জিলাৰ আয়ুক্তৰ সৈতে পোনপটীয়াকৈ কথা পাতিছে বুলি কলিয়াবৰত আজি স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমক অৱগত কৰে।

০০০০

ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে তামুলপুৰ জিলাতো গ্ৰীষ্ম দাহত জনসাধাৰণ বিভিন্ন ৰোগত আক্ৰান্ত হৈছে। হাপানী, ডায়েৰীয়াৰ লগতে সাধাৰণ ভাইৰেল জ্বৰত শিশু আৰু বৃদ্ধ ব্যক্তিসকল চিকিৎসালয়ত ভৰ্তি হ'বলগীয়া হৈছে। এই ক্ষেত্ৰত ৰাইজক বিভিন্ন ক্ষেত্ৰত সতৰ্ক হ'বলৈ নাগ্ৰিজুলি আদৰ্শ চিকিৎসালয়ৰ উপ অধীক্ষক ডাঃ দিগন্ত কুমাৰ বড়োৱে সংবাদ মাধ্যমযোগে আহ্বান জনায়। জনসাধাৰণক বিশুদ্ধ খোৱাপানীৰ লগতে নাৰিকলৰ পানী, নিমু চৰবত ইত্যাদি খাবলৈ পৰামৰ্শ আগবঢ়াই উপ অধীক্ষকগৰাকীয়ে ধুলি বালি আৰু প্ৰদূষণৰ ফলত এই সময়ছোৱাত ভাইৰেল ৰোগসমূহ দেখা দিছে বুলি মত প্ৰকাশ কৰে।

০০০০

কৰিমগঞ্জ জিলাৰ কায়স্থগ্ৰামত আজি এটা পথ দুৰ্ঘটনা সংঘটিত হয়। দুৱাৰীবাগ অঞ্চলত ৰে'ল গেট নথকা ৰে'লৰে ক্ৰছিঙত এখন চাৰিচকীয়া বাহন আৱদ্ধ হৈ পৰে আৰু ত্ৰিপুৰা অভিমুখী মালবাহী ৰেলখনে গাড়ীখনক খুন্দা মাৰি কিছু দূৰলৈ ঠেলি নিয়ে। অৱশ্যে গাড়ীখনত থকা তিনিজন যাত্ৰী গাড়ীৰ পৰা নামি নিৰাপদ স্থানত আশ্ৰয় লয়। স্থানীয় লোকৰ সহায়ত ৰেলপথৰ পৰা ক্ষতিগ্ৰস্ত গাড়ীখন উদ্ধাৰ কৰা হয়।

০০০০

অসম ক্ৰিকেট সন্থাৰ উদ্যোগত বৰপেটাত অনুষ্ঠিত কনকলতা বৰুৱা আন্তঃজিলা মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত **চি গ্ৰুপৰ** অন্তিমখন খেলত ঘৰুৱা দল বৰপেটাই নগাঁও জিলা দলক পৰাজিত কৰে। বৰপেটা জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত খেলখনত বৰপেটা ২০ ৰাণত বিজয়ী হয়। এই জয়ৰ সুবাদত বৰপেটা প্ৰতিযোগিতাখনৰ চূড়ান্ত ৰাউণ্ডলৈ নিৰ্বাচিত হয়। প্ৰথমে বেট ধৰি বৰপেটাই ২৯ অভাৰ আৰু তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ৮৭ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নগাঁও জিলা দলে ২৬ অভাৰ আৰু তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ৬৭ ৰাণ সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ